# ১৯৭২ চনৰ গ্ৰেচ্যুইটি প্ৰদান আইন আৰু অসম বিধি

১। এজন কৰ্মচাৰীয়ে একেৰাহে পাঁচ বছৰ কাল কাম কৰিলেহে গ্ৰেচ্যুইটি পোৱাৰ যোগ্য হ'ব। একেৰাহে কৰা কামৰ অৰ্থ হ'ল যে কৰ্মচাৰীজনে এক বছৰত (বাৰ মাহত) ২৪০ দিন কাম কৰিব লাগিব। আইনসংগত চুক্তিৰ যোগেদি হোৱা 'লে অফৰ' দিনবোৰ, আগৰ বছৰত পোৱা বেতন ছুটীৰ দিন, দুৰ্ঘটনাৰ দ্বাৰা অস্থায়ীভাৱে অক্ষম হৈ কাম কৰিব নোৱাৰা দিনবোৰ আৰু মহিলা শ্ৰমিকে প্ৰসূতি ছুটীত থকা দিনবোৰক এই ২৪০ দিনৰ ভিতৰত ধৰা হ'ব।

২। যদি কোনো শ্ৰমিকে ২৪০ দিন কাম নকৰে, তেনে ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষই সেই শ্ৰমিকজনৰ গ্ৰেচ্যুইটি কেৱল ২৪০ দিন কাম নোহোৱাৰ বাবে কৰ্তন কৰিব নোৱাৰিব। তাৰ বাবে তেওঁলোকে উক্ত বছৰত শ্ৰমিকজনে কামত অনুপস্থিত থকাৰ বাবে তেওঁ জাননীপত্ৰ (নটিচ) দি কাৰ্যবিৱৰণী লিপিবদ্ধ কৰি নিৰ্দেশ জাৰী কৰিব লাগিব যে তেওঁ সেই বছৰৰ বাবে গ্ৰেচ্যুইটি নাপাব আৰু তাৰ কপি গ্ৰেচ্যুইটি নিয়ন্ত্ৰণ বিষয়া (সহঃশ্ৰম আয়ুক্ত) তথা শ্ৰমিকজনক দিব লাগিব যে তেওঁ ২৪০ দিন কাম নকৰাৰ বাবে উক্ত বছৰৰ গ্ৰেচ্যুইটি কৰ্তন কৰা হৈছে।

৩। এজন শ্ৰমিকে যিমান বছৰ কাম কৰে সিমান বছৰৰ কাৰণে বছৰত ১৫ দিনৰ হিচাপত সেই গ্ৰেচ্যুইটি পাব।

৪। মাহেকীয়া বেতন পোৱা কৰ্মচাৰীৰ ক্ষেত্ৰত মাহেকীয়া বেতনক ২৬ৰে ভাগ কৰিলেই এদিনৰ বেতন পোৱা যাব আৰু তাক ১৫ৰে পূৰণ কৰিলে এক বছৰত পাবলগা গ্ৰেচ্যুইটি বুলি হিচাপ কৰিব লাগিব।

৫। এজন মানুহে আটাইতকৈ বেছি ৪০ বছৰ কামৰ বাবেহে গ্ৰেচ্যুইটি পাব পাৰে।

৬। কোনো কৰ্মচাৰী অৱসৰ গ্ৰহণ কৰাৰ ৩০ দিনৰ ভিতৰত বাগিচা কৰ্তৃপক্ষই গ্ৰেচ্যুইটি প্ৰদান কৰিব লাগিব। বাগিচা কৰ্তৃপক্ষই ৩০ দিনৰ ভিতৰত প্ৰাপ্য গ্ৰেচ্যুইটিখিনি নিদিলে বা দিব নোৱাৰিলে বা যি দিন

পৰ্যন্ত দিব নোৱাৰে সেই দিন পৰ্যন্ত দীৰ্ঘ্যমাদী চৰকাৰী ঋণৰ হাৰত সুত দিব লাগিব।

৭। শ্ৰমিকজনে অৱসৰ গ্ৰহণৰ আগদিনা বা কাম এৰাৰ আগদিনা যিটো হাৰত হাজিৰা পাইছিল সেই হাৰতেই গ্ৰেচ্যুইটি হিচাপ কৰা হয়।

৮। চাহ বাগিচাৰ শ্ৰমিকসকলে হাজিৰা বাবদ চিঙিবলগা পাততকৈ অধিক পাত তুলিলে অতিৰিক্ত পইচা লাভ কৰে। ঠিকা পাতৰ পইচাক বেতন বুলি ধৰা হয় আৰু সেয়েহে গ্ৰেচ্যুইটি হিচাপ কৰোতেও তাকো বেতন বুলি ধৰা হয়।

৯। উৎসাহমূলক বেতনকো বেতন বুলি ধৰা হয় সেয়েহে গ্ৰেচ্যুইটি হিচাপ কৰোতে তাকো বেতন বুলি ধৰা হয়।

১০। এই আইন প্ৰযোজ্য হয় তেনে অনুষ্ঠান প্ৰতিষ্ঠানৰ ক্ষেত্ৰত য'ত আগৰ ১২ মাহত ১০ জন বা তাৰ অধিক লোক নিযুক্তি আছিল।

১১। এজন কৰ্মচাৰীয়ে সৰ্বাধিক এক লাখ টকা পৰ্যন্ত গ্ৰেচ্যুইটি পাব পাৰে। গ্ৰেচ্যুইটি হিচাপ কৰোতে গ্ৰেচ্যুইটি এক লাখ টকা অধিক হ'লেও এক লাখৰ অতিৰিক্ত টকাখিনি পাব নোৱাৰিব।

১২। শ্ৰমিকসকলে 'এফ' ফৰ্মত মনোনয়ন পত্ৰখনত তেওঁৰ মৃত্যু হ'লে গ্ৰেচ্যুইটি টকা কোনে পাব তাক লিখি দিব লাগে। মনোনয়ন এজনতকৈ অধিক লোকক দিব পৰা যায়।

১৩। কোনো এজন কৰ্মচাৰীৰ কোনো বেমাৰ বা দুৰ্ঘটনা হৈ মৃত্যু হ'লে বা অক্ষম হ'লে তেওঁ একেৰাহে ৫ বছৰ কাম নকৰিলেও গ্ৰেচ্যুইটি পাব পাৰিব।

১৪। কোনো শ্ৰমিকে ইচ্ছা কৰি কোনো ত্ৰুটি কৰিলে বা অৱহেলা কৰিলে কোম্পানীৰ কোনো সম্পদ হানি কৰিলে বা ক্ষতি কৰিলে তেওঁৰ পৰা ক্ষতিৰ পৰিমাণ অনুসৰি পাবলগা গ্ৰেচ্যুইটিৰ পৰা সেই ধন কাটি ৰাখিব পাৰে। কোনো শ্ৰমিকে যদি হিংসাত্মক কাৰ্যত লিপ্ত থকাৰ কাৰণে তেওঁক কামৰ পৰা বৰ্খাস্ত কৰা হয় তেতিয়াহ'লে তেওঁ একেবাৰে গ্ৰেচ্যুইটি নেপাবও পাৰে।

১৫। গ্ৰেচ্যুইটি পাবলৈ শ্ৰমিকজনে বা তেওঁৰ মনোনীত লোকে অৱসৰ

লোৱা/নামকটা, বৰ্খাস্ত হোৱা বা মৃত্যু হোৱাৰ ৩০ দিনৰ ভিতৰত নিৰ্দিষ্ট ফৰ্মত বাগিচা পৰিচালকলৈ দৰ্খাস্ত কৰিব লাগিব।

১৬। সাধাৰণতে দৰ্খাস্ত পোৱাৰ এমাহৰ ভিতৰতে কোম্পানীয়ে গ্ৰেচ্যুইটি দিব লাগে যদিহে গ্ৰেচ্যুইটি সম্পৰ্কে কোনো বিবাদ নাথাকে। যদি তিনি মাহৰ ভিতৰতো কোম্পানীয়ে গ্ৰেচ্যুইটি দিবলৈ মান্তি নহয় তেতিয়াহ'লে গ্ৰেচ্যুইটি আইনত সন্নিৱিষ্ট 'এন' ফৰ্মৰ যোগেদি শ্ৰমিকজনে কণ্ট্ৰ'লিং অথ'ৰিটি (সহঃ শ্ৰম আয়ুক্ত)ৰ ওচৰত গ্ৰেচ্যুইটি আদায়ৰ বাবে আৱেদন কৰিব পাৰে।

## গ্ৰেচ্যুইটি হিচাপ ঃ-

১। এজন কৰ্মচাৰীৰ অৱসৰ সময়ত মুঠ মাহেকীয়া বেতন (মৰগীয়া বানচৰ সৈতে) আছিল ২৬০০.০০ টকা। তেওঁ বাগিচাত মুঠ ৩০ বছৰ কাম কৰিছিল। তেওঁৰ গ্ৰেচ্যুইটি কিমান হ'ব?

গ্ৰেচ্যুইটি হিচাপৰ সূত্ৰ ঃ

মাহেকীয়া বেতন পোৱা কৰ্মচাৰীৰ ক্ষেত্ৰত ঃ

$$\text{গ্ৰেচ্যুইটি পৰিমাণ} = \frac{২৬০০}{২৬} \times ১৫ \text{ কাম কৰা বছৰৰ সংখ্যা}$$

$$= \frac{২৬০০}{২৬} \times ১৫ \times ৩০$$

$$= ১০০ \times ১৫ \times ৩০$$

$$= ৪৫,০০০.০০$$

২। এজন মজদুৰৰ দৈনিক হাজিৰা ৭২.৫০ টকা। তেওঁ বাগিচাত ৩২ বছৰ কাম কৰিছিল। তেওঁৰ গ্ৰেচ্যুইটি কিমান হ'ব?

দৈনিক হাজিৰা পোৱা মজদুৰৰ ক্ষেত্ৰত ঃ

গ্ৰেচ্যুইটিৰ পৰিমাণ = দৈনিক হাজিৰা × ১৫ × কাম কৰা বছৰৰ সংখ্যা

= ৭২.৫০ × ১৫ × ৩২

= ৩৪,৮০০.০০ টকা